# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 02-08-2025
**Time :** 21-25 Hrs

### ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা এন আই এ যোৱা বছৰ মণিপুৰত সংঘটিত এটা হত্যাকাণ্ডৰ গোচৰত মিজোৰামৰ আইজলৰ পৰা লালৰোচাং মাৰ নামৰ অভিযুক্তজনক গ্ৰেপ্তাৰ কৰিছে। কাছাৰ জিলাৰ মইনাথল গাওঁ নিবাসী লালৰোচাঙত গ্ৰেপ্তাৰ কৰাৰ পূৰ্বে এন আই এ আৰু অসম আৰক্ষীৰ যুটীয়া দলে থাংলিয়েনলাল মাৰ নামৰ অভিযুক্তজনক গ্ৰেপ্তাৰ কৰিছিল। উল্লেখযোগ্য যে যোৱা বছৰৰ ১১ নৱেম্বৰত মণিপুৰত বৰে বেক্ৰা অঞ্চলত ৩ গৰাকী মহিলা আৰু ৩ টি শিশুক নৃশংসভাৱে হত্যা কৰাৰ অভিযোগত এই লোককেইজনৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছিল।

০০০০

উত্তৰ-পূৰ সীমান্ত ৰে'লৰে অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ আৰু আই আই টি গুৱাহাটীৰ সৈতে ৰে'ল সেৱা অধিক স্বচ্ছ আৰু প্ৰদূষণ মুক্ত কৰাৰ লক্ষ্যৰে দুখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। উত্তৰ পূৰ সীমান্ত ৰে'লৰে মালিগাওঁৰ মুখ্য কাৰ্যালয়ত কালি এই চুক্তি স্বাক্ষৰ কৰা হয়। প্ৰথমখন বুজাবুজিৰ চুক্তি অনুসৰি গুৱাহাটী ৰে'ল ষ্টেছনৰ এশ শতাংশই প্লাষ্টিক পুনৰ ব্যৱহাৰযোগ্য কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ পৰিকল্পনা কৰা হৈছে। ইয়াৰ বাবে গুৱাহাটী ষ্টেছন অধীক্ষকৰ নেতৃত্বত এটা ছজনীয়া কৰ্ম বাহিনী গঠন কৰা হৈছে। ইয়াৰ দ্বাৰা আৱৰ্জনা ব্যৱস্থাপনা, পছনসাৰ উৎপাদন প্ৰকল্প কাৰ্যকৰীকৰণ আৰু যাত্ৰীসকলৰ মাজত সচেতনতা বৃদ্ধিৰ বাবে পদক্ষেপ গ্ৰহণৰ পোষকতা কৰা হৈছে। দ্বিতীয়খন বুজাবুজিৰ চুক্তিত ৰে'লৰ শীত তাপ নিয়ন্ত্ৰিত ডবাসমূহত বৰ্তমান ব্যৱহৃত পেকেটৰ পৰিৱৰ্তে জৈৱ পছনশীল পেকেট ব্যৱহাৰত গুৰুত্ব দিয়া হ'ব।

০০০০

বিশ্ব মাতৃ দুগ্ধপান দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন জিলাত কাৰ্যসূচী অনুষ্ঠিত হয়। **চিৰাং** জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত বল্লামগুৰি উন্নয়ন খণ্ড স্বাস্থ্য কেন্দ্ৰৰ অধীনৰ গাৰগাওঁ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত আজি এই অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত সন্তান সম্ভৱা আৰু শিশুক দুগ্ধপান কৰাই থকা মাতৃসকলক শিশুসকলৰ পুষ্টিৰ ক্ষেত্ৰত মাতৃ দুগ্ধৰ গুৰুত্ব সম্পৰ্কে অৱগত কৰোৱা হয়। **কামৰূপ** জিলাৰ কমলপুৰত আজি এই উপলক্ষে এখন সজাগতা সভা অনুষ্ঠিত হয়। **লখিমপুৰ** জিলাত আজি এই উপলক্ষে অনুষ্ঠানৰ আয়োজন কৰা হয়। উল্লেখযোগ্য যে আজিৰে পৰা ৭ আগষ্টলৈকে বিশ্ব মাতৃ দুগ্ধপান সপ্তাহ পালন কৰা হৈছে। লখিমপুৰৰ চাপৰিগাঁও নগৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত আজি এই উপলক্ষে আয়োজিত অনুষ্ঠানত যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ বিমান শৰ্মাই মাতৃ দুগ্ধৰ গুৰুত্ব সম্পৰ্কে ব্যাখ্যা কৰে।

০০০০

০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ডিব্ৰুগড়ত বিভিন্ন ৰাজহুৱা অনুষ্ঠান সুচাৰুৰূপে আয়োজন কৰাৰ বাবে নিৰ্মাণ কৰা বহুমুখী উপযোগিতা ভৱনটো আজি ৰাইজৰ নামত উৎসৰ্গা কৰে। ১৬ টা কোঠাত ৫ হাজাৰতকৈ অধিক লোক বহাৰ সুবিধাযুক্ত এই নৱ নিৰ্মিত ভৱনটিয়ে ডিব্ৰুগড়বাসীক বিভিন্ন দিশত উপকৃত কৰিব বুলি আশা কৰা হৈছে। উদ্বোধনী অনুষ্ঠানত ৰাজ্যৰ শক্তি মন্ত্ৰী তথা ডিব্ৰুগড়ৰ বিধায়ৰ প্ৰশান্ত ফুকন, পৰিবহন মন্ত্ৰী যোগেন মহন, বিধায়ক চক্ৰধৰ গগৈ, তেৰশ গোৱালা, পোনাকণ বৰুৱা, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, অসম পেট্ৰ'কেমিকেলছ লিমিটেডৰ অধ্যক্ষ বিপুল ডেকা আৰু ডিব্ৰুগড় পৌৰ নিগমৰ উপ মেয়ৰ উজ্বল ফুকন প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০

মুক্ত চিন্তাৰ চলচ্চিত্ৰসমূহে ৰাজ্যখনৰ মৌলিক সমস্যাসমূহ স্বাধীন ৰূপত তুলি ধৰিবলৈ সমৰ্থ হ'ব পাৰে। বিশেষকৈ আঞ্চলিক ক্ষেত্ৰত মুকলি চিন্তাৰ চলচ্চিত্ৰসমূহে অত্যন্ত গুৰুত্ব বহন কৰে। আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাতত আজি ৰাজ্যখনৰ ৩ গৰাকী উদীয়মান চলচ্চিত্ৰ পৰিচালক অমৰদ্বীপ গগৈ, হিমজ্যোতি তালুকদাৰ আৰু ঝুলনকৃষ্ণ মহন্তই এই বিষয়ে প্ৰকাশ কৰে। তেওঁলোকে কয় যে এনেধৰণৰ চলচ্চিত্ৰৰ ক্ষেত্ৰত পৰিচালক তথা কলা কুশলীসকলে স্বাৱলম্বী আৰু স্বয়ংসম্পূৰ্ণভাৱে সকলো কাম সম্পন্ন কৰে। সম্প্ৰতি ৰাজ্য আৰু দেশৰ লগতে বিশ্বৰ বিভিন্ন প্ৰান্তত এনেধৰণৰ চিন্তাৰ চলচ্চিত্ৰৰ গুৰুত্ব লাভ কৰিছে বুলি তেওঁলোকে উল্লেখ কৰে। তেওঁলোকে লগতে এই ধৰণৰ চলচ্চিত্ৰ নিৰ্মাণৰ ক্ষেত্ৰত থকা বিত্তীয় আৰু অন্যান্য প্ৰত্যাহ্বানসমূহৰ বিষয়েও জানিবলৈ দিয়ে। অনুষ্ঠানটোত তেওঁলোকৰ সৈতে অন্তৰংগ আলাপত ভাগ লয় আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০

অসম সাহিত্য সভাই মংগলচণ্ডী ব্ৰহ্ম ভাষা সাহিত্য সংস্কৃতি গৱেষণা প্ৰতিষ্ঠানৰ উদ্যোগত আৰু আৰোহণ ফাউণ্ডেছন গুৱাহাটীৰ সহযোগত আজি নৃগোষ্ঠীয় নৃত্যৰ ছন্দে ছন্দে শীৰ্ষক এটা অনুষ্ঠানৰ আয়োজন কৰা হয়। গুৱাহাটীৰ লক্ষ্মীৰাম বৰুৱা সদনত আয়োজিত অনুষ্ঠানত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিত বৰাই সাহিত্য সভাৰ মঞ্চত সকলো জনগোষ্ঠীয়ে মৰ্যাদা পাব লাগিব বুলি মন্তব্য কৰে। এই অনুষ্ঠানত কোচ-ৰাজবংশী আৰু শৰণীয় কছাৰী নৃগোষ্ঠী দুটাৰ বিভিন্ন নৃত্য পৰিবেশন আৰু বিশেষজ্ঞসকলৰ দ্বাৰা ইয়াৰ প্ৰাসংগিক আলোচনা অনুষ্ঠিত হয়।

০০০০

মন্ত্ৰী বিমল বৰাই আজি ডিব্ৰুগড় লোকসভা সমষ্টিৰ অন্তৰ্গত টিংখাং আঞ্চলিক পঞ্চায়তৰ নৱনিৰ্বাচিত সভাপতি আৰু সদস্যসকলৰ কাৰ্যভাৰ গ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰে। তেওঁ সকলোকে সততা, সক্ৰিয়তা আৰু জনমুখী মনোভাৱেৰে পঞ্চায়তৰ কাম-কাজ আগুৱাই নিবলৈ আহ্বান জনায়। তেওঁ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে ৰূপায়ণ কৰা আঁচনিসমূহৰ সফল কাৰ্যকৰীকৰণৰ বাবে নৱনিৰ্বাচিত সদস্যসকলক দৃষ্টি ৰাখিবলৈ পৰামৰ্শ আগবঢ়ায়।

০০০০

বাক্সা জিলাৰ গোলাগাঁৱত বি টি আৰৰ সহযোগিতা বিভাগৰ উদ্যোগত আজি এটি প্ৰশিক্ষণ আৰু সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত হয়। মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই এই কাৰ্যসূচীত অংশগ্ৰহণ কৰি বিভিন্ন আঁচনিৰ বিষয়ে ৰাইজক অৱগত কৰে। সমবায় সমিতিৰ জৰিয়তে কেনেকৈ উপকৃত হ'ব পাৰি সেই বিষয়ে সজাগতা সৃষ্টি কৰিবলৈ তেওঁ আহ্বান জনায়।

০০০০

ঃঃ সমাপ্ত ঃঃ